অধ্যায় ৫ ঃ গণ সংযোগত কম্পিউটাৰৰ ব্যৱহাৰ

অধ্যায় গাঁথনি

5.1 উদ্দেশ্য

52 পৰিচয়

5.3 গণ সংযোগত কম্পিউটাৰৰ ব্যৱহাৰ

5.3.1 গণ মাধ্যমত কম্পিউটাৰৰ ব্যৱহাৰ

5.3.2 ব্যৱসায় মাধ্যমত ইন্টাৰনেটৰ প্ৰয়োগ

5.4 অনলাইন বাতৰি কাকত

5.4.1 ইন্টাৰনেট সংযোজন

5.4.2 চাইবাৰ বাতৰি কাকতৰ উত্থান

5.4.3 চাইবাৰ বাতৰি কাকতৰ বৈশিষ্ট্য

5.5 অন্যান্য মাধ্যমৰ সৈতে তুলনা

5.5.1 পাৰ্থক্য

5.5.2 সাদৃশ্য

5.6 নতুন মাধ্যমৰ দৰ্শক

5.7 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

5.8 অধিক জানিবলৈ

5.9 অগ্ৰগতিৰ খতিয়ান

5.10 সম্ভাব্য প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ----

- গণ মাধ্যমত কম্পিউটাৰৰ ব্যৱহাৰ সম্পৰ্কে জানিব পাৰিব
- অনলাইন বাতৰি কাকতৰ ধাৰণা লাভ কৰিব পাৰিব
- অনলাইন বাতৰি কাকতৰ বৈশিষ্ট্যবোৰৰ বিষয়ে জানিব পাৰিব
- অন্য মাধ্যমৰ সৈতে অনলাইন বাতৰি কাকতৰ সাদৃশ্য আৰু বৈসাদৃশ্য বিশ্লেষণ কৰিব পাৰিব।

৫.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত কম্পিউটাৰ আৰু ইন্টাৰনেটৰ উদ্ভাৱনে কেনেকৈ মানৱ জাতিৰ দৈনন্দিন জীৱনক আশ্চৰ্যজনকভাৱে প্ৰভাৱিত কৰিছিল সেই কথা গম পালে। এই অধ্যায়ত কম্পিউটাৰ আৰু ইন্টাৰনেটৰ অন্য এক প্ৰকাৰৰ বিষয় আলোচনা কৰা হয়, য'ত সংবাদ যোগাযোগ মাধ্যমক সামৰি কম্পিউটাৰ আৰু ইন্টাৰনেটে কিছুমান গুৰুত্বপূৰ্ণ বিষয় চুই যাব।

৫.৩ গণ সংযোগত কম্পিউটাৰৰ ব্যৱহাৰ

জনজীৱনৰ দুটা গুৰুত্বপূৰ্ণ উপাদান হ'ল কম্পিউটাৰ আৰু ইন্টাৰনেট। এই নতুনত্বই সংবাদ যুগৰ সুভাৰম্ভ ঘটালে যিয়ে নিপুণতাৰে নিঃসন্দেহে আধুনিক কালত, উত্তৰ আধুনিক যুগত নৱজাগৰণ আনিলে। ৱেব (web) ৰ দ্বাৰা পৃথিৱীৰ বিভিন্ন প্ৰান্ত পৰস্পৰৰ লগত সংলগ্ন হোৱাত কম্পিউটাৰত ইন্টাৰনেট ব্যৱস্থাৰ সংযোজিত হোৱাত একবিংশ শতিকাৰ বিশ্বলৈ অভিনৱত্ব আহিলে। ইন্টাৰনেটৰ বিস্তৃত বিৱৰণ পূৰ্বৰ অধ্যায়ত দাঙি ধৰা হৈছে। মনো�ৰঞ্জন শিল্প, দূৰদৰ্শন, অনাতাঁৰ ঘোষণা, চলচ্চিত্ৰ নিৰ্মাণ আদিত কম্পিউটাৰ, ইন্টাৰনেটে উল্লেখযোগ্য ভূমিকা পালন কৰে।

৫.৩.১ গণ মাধ্যমত কম্পিউটাৰৰ ব্যৱহাৰ

বৰ্তমান সময়ত গণমাধ্যমৰ প্ৰতিটো পদক্ষেপতে কম্পিউটাৰ অপৰিহাৰ্য হৈ পৰিছে যিয়ে খৱতকীয়া কাৰ্যবোৰ নিয়ন্ত্ৰণ আৰু পৰিচালনা কৰে।

উদাহৰণ স্বৰূপে, ছপা কামবোৰ কম্পিউটাৰৰ সহায়ত পূৰ্বতকৈ অতি সহজতে কৰিব পৰা যায়। ফলস্বৰূপে Desktop অৰ বিষয়বস্তু চপাবলৈ সম্ভৱ হৈছে। ঘৰত বহিয়েই এতিয়া পৃষ্ঠাসজ্জা কৰিব পাৰি, তদুপৰি কম খৱছতে সৰু পুস্তিকা বা আলোচনীৰ আকাৰৰ কথা নভবাকৈ প্ৰচাৰ কৰাতো সম্ভৱপৰ হৈ পৰা দেখা যায়।

কম্পিউটাৰ যোগে তাহানিৰ তুলনাত দ্ৰুততৰ গতিত নিশ্চিত ৰূপত বাতৰি সৰবৰাহ কৰিব পৰা যায়।

যিয়ে নহওক সাংবাদিকসকলে কাগজত লিখাতকৈ কম্পিউটাৰত লিখে কাৰণ ইয়াত তথ্য আৰু নথিপত্ৰ সালসলনি কৰাত সুবিধা হয়। সেই বাবে লিপিবদ্ধ কাহিনীবোৰৰ আৰ্হি সম্পাদনা থলীলৈ দ্ৰুত গতিত হস্তান্তৰ কৰাৰ পাছত পুনৰ নিৰীক্ষণ কৰি সম্পাদনা কৰা হয়। সম্পাদনাৰ অন্তত আৰ্হিখিনি পৃষ্ঠাসজ্জাকাৰীৰ হতুৱাই নিৰ্দিষ্ট ঠাইত স্থাপন কৰিবলৈ কম্পিউটাৰলৈ পঠিয়াই দিয়ে। সকলোখিনি কাম নিমিষতে কৰিব পৰা যায়।

অসংখ্য তথ্য পাতি সুশৃংখলভাৱে সজাই ফটো আৰু আৰ্হি সম্পাদনাৰ লগত অন্যান্য বিবিধ ক্রিয়া সম্পাদন স্পষ্টভাৱে কৰিবলৈ কম্পিউটাৰেই উত্তম উপায়। বর্তমান পৰিস্থিতিত প্রুফ ৰিডাৰ, মুদ্রন স্থাপক আদি কৰি ভালেমান মধ্যস্থতাকাৰী চাকৰি অপ্রয়োজনীয় হৈ পৰিছে, কিয়নো কম্পিউটাৰে নিমিষতে তথ্য সংগ্রহ কৰি অত্যন্ত নিয়াৰিকৈ কার্য সমাধা কৰে। যন্ত্র প্রয়োগকাৰী লোকৰ দ্বাৰা কাকতৰ বোজাধাৰী কেতবোৰ কাম কম্পিউটাৰত নিখুঁত আৰু দ্রুততাৰে কৰিব পাৰে।

ব্যক্তিগত কম্পিউটাৰৰ বাবে ডিটিপি (DTP) প্রক্রিয়াত চিত্র , ৰেখাচিত্র আদি প্রয়োজন সাপেক্ষে প্রদান কৰিব পাৰে যিবিলাকত প্রায় সুন্দৰ ডিজাইন দিবলৈ সা-সৰঞ্জাম উপলব্ধ। ফটোশ্বপৰ যথাযথ প্রয়োগ আৰু ব্যৱহাৰে আলোক চিত্রত সোণত সুৰগা চৰায়। Coral Draw অৰ নিচিনা কার্যসূচীয়ে অপৰিসীম ৰেখাচিত্র আৰু নমুনাৰ সা-সুবিধা আগবঢ়ায়।

সম্পাদকে কম্পিউটাৰত নানা আহিলাৰ দ্বাৰা উজ্জলতা আৰু পার্থক্যৰ গুণাগুণ বৰ সহজতে সঠিকভাৱে সমাধা কৰিব পাৰে। নিমিষৰ ভিতৰতে বেতাঁৰ পদ্ধতি নাইবা টেলিফোন যোগে বাতৰি প্রস্তুত কৰা কক্ষলৈ ফটোগ্রাফ পঠাই বাতৰি কাকতত যোগান ধৰে।

পৃষ্ঠাসজ্জা প্রস্তুত কৰাৰ ক্ষেত্রত কম্পিউটাৰ ব্যৱহাৰে গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে। ই এটা কঠিন কাম কিয়নো পৃষ্ঠাসজ্জাকাৰীৰ যথেষ্ট সৃষ্টিশীলতা আৰু কাৰিকৰী জ্ঞানৰ প্রয়োজন হয়। যি কি নহওক সাময়িক পৰিস্থিতিত পৃষ্ঠাসজ্জাকাৰীয়ে কম্পিউটাৰৰ জৰিয়তে নানান জটিল কাম, নানা তৰহৰ নমুনা আৰু কৌশল প্রয়োগ কৰিবলৈ সক্ষম হৈছে। ফলস্বৰূপে বাতৰি কাকতবোৰ দেখনিয়াৰ আৰু স্পষ্ট লেখনি প্রকট হৈ উঠিছে। অতীতত ছপা কৰিবৰ বাবে সাজু কৰি নিয়া সম্পাদিত বা-বাতৰি পেলনীয়া কাগজত Cut Paste কৰি লৈ যোৱা হৈছিল যিটো যথেষ্ট অসুবিধাজনক আৰু সময় খৰছী আছিল। Adobe indesign, Quark express, page- maker আদি কম্পিউটাৰ ছফ্টৱেৰৰ সহায়ত গোটেই প্রক্রিয়াটো দ্রুত আৰু অধিক সহজভাৱে কৰিব পৰা যায়। নানা ধৰণৰ আৰ্হি খটুৰাই কম সময়ৰ ভিতৰতে অতি আয়াসতে ফটো সংলগ্ন কৰিব পৰা যায়।

৫.৩.২ ব্যৱসায় মাধ্যমত ইন্টাৰনেটৰ প্রয়োগ

আজিৰ সংবাদ জগতখনত কম্পিউটাৰে ইন্টাৰনেটৰ সহায়ত এক চমকপদ দিশৰ উন্মোচন কৰিছে। E-mail অৰ সহায়ত ভৌগোলিক পৰিসীমা চেৰাই নানান বা-বাতৰি আদান প্রদান কৰাত ইন্টাৰনেটৰ ভূমিকা লক্ষণীয়। ইয়াৰ দ্বাৰা বাতৰি কাকতৰ বিভিন্ন ধৰণৰ মুদ্রনক তেনেই উজু আৰু বোজামুক্ত কৰা হৈছে।

সেই দৰে দূৰদূৰণিত থকা বা একে ঠাইতে থকা সাংবাদিকসকলৰ বাবে এটা কথা ঠিক যে ছেকেণ্ডৰ ভিতৰতে পৃথিৰীৰ যিকোনো কোণৰ পৰাই E-mail যোগে বা-বাতৰি প্রচাৰ কৰিব


পৰা যায়। ইন্টাৰনেটৰ সহায়েৰে চকুৰ পচাৰতে গুৰুত্বপূৰ্ণ সংবাদ সংগ্ৰহ কৰি পৃথিৱীৰ চুকে কোণে যি কোনো ঠাইৰ মানুহৰ হাতত তুলি দিব পাৰি। গোটেই প্ৰক্ৰিয়াক ই দ্ৰুততৰ কৰি তোলে। তদ্ৰুপ প্ৰক্ৰিয়াত যি কোনো লিখনি কম্পিউটাৰ যোগে সংলগ্ন কৰি পঠিয়াব পৰা যায়।

তাৰোপৰি সংবাদ সংযোগকাৰী ব্যৱস্থাবোৰে ইন্টাৰনেটৰ জৰিয়তে বা-বাতৰি পঠিয়াব পাৰে আৰু উলিয়াই লয়। আন এটা ডাঙৰ কথা হ'ল বাতৰি যোগানকাৰীয়ে কম্পিউটাৰৰ সহায়ত বহুদিনলৈ জমা কৰি যোৱা বা-বাতৰি ইন্টাৰনেটৰ সহায়ত সময় সাপেক্ষে প্ৰয়োজন অনুসৰি যেতিয়াই তেতিয়াই উলিয়াই ল'ব পাৰে।

Citizen সাংবাদিকতাৰ ধাৰণাক ইন্টাৰনে'টে দ্ৰুততৰ গতিত উন্মোচিত কৰিছে।

বাতৰি সংগ্ৰাহকসকলে লাভ কৰা আন এটা সুবিধা হ'ল এইয়ে যে যিবিলাক বাতৰি কাকতৰ কেইবাটাও সংস্কৰণ উলিওৱাৰ সুবিধা আছে, কেই মিনিটমানৰ ভিতৰতে ইন্টাৰনেটৰ মাধ্যমেদি বাতৰি কাকতখনৰ মূল অংশখিনি অথবা গুৰুত্বপূৰ্ণ অংশসমূহ এই স্থানলৈ পঠিয়াব পৰা যায়।

দৰাচলতে সাংবাদিকতা ব্যৱসায়টোক কম্পিউটাৰে সম্পূৰ্ণভাৱে গ্ৰাস কৰিছে। এতিয়া আৰু সেই দিন নাই যে কাগজ, কলম, ফেক্স, বেতাঁৰ-অনাতাঁৰ আদিৰ ওপৰত নিৰ্ভৰ কৰি বাতৰি সৰবৰাহ কৰিব। এতিয়া লেপ টপ(Lap-top), কম্পিউটাৰ আদিৰ যুগ। Mouse ত হাত দিলেই সকলো খা-খবৰ পাব পাৰি। বহু কেইখন বাতৰি কাকত আৰু ইলেকট্ৰনিক মাধ্যমত খবৰ ঘোষণা কৰাৰ বাবে কম্পিউটাৰাইজড্ পৰিবেশে গোটেই পৃথিৱীখনৰ প্ৰণালীটোকে উপকৃত কৰিছে। সাধাৰণতে সম্পাদনাখিনি Desktop ৰ পৰা টাইপ কৰা প্ৰুফ চোৱালৈকে বহু জনগাঁথনিৰ আৱশ্যক হোৱাৰ লগতে নানান ভুল ভ্ৰান্তি হোৱাৰ সম্ভাৱনাও থাকে। প্ৰতিটো পদক্ষেপতে সময়ৰ অপব্যয়লৈ লক্ষ্য কৰি দেখা যায় যে কম্পিউটাৰ প্ৰক্ৰিয়া অধিক ফলদায়ক আৰু কাৰ্যকৰী।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং 1åÃ খালী ঠাই পূৰণ কৰক।

ক) সাংবাদিকতাই.....পৰিবেশৰ পৰা উপকৃত হৈছে।

খ) ব্যক্তিগত কম্পিউটাৰৰ বাবে.....চিত্ৰ, ৰেখাচিত্ৰ আদি প্ৰয়োজন সাপেক্ষে প্ৰদান কৰিব পাৰে যিবিলাকত প্ৰায় সুন্দৰ ডিজাইন দিবলৈ সা-সৰঞ্জাম উপলব্ধ।

গ) পৃষ্ঠাসজ্জাৰ প্ৰক্ৰিয়া তেনেই সহজ কিয়নো তাত ..... ব্যৱহাৰ হয়।

ঘ) সংবাদ সংস্থাৰ বা-বাতৰি ..... দ্বাৰা পঠিওৱা আৰু পুনৰ উদ্ধাৰ হয়।

৫.৪ üঅনলাইন বাতৰি কাকত

ইণ্টাৰনে'ট হৈছে গণ সংযোগৰ মাধ্যমত হোৱা শেষতীয়া সংযোজন। বাতৰি প্ৰযোজক তথা দৰ্শকক ইণ্টাৰনে'টে যথেষ্ট সুযোগ-সুবিধা আগবঢ়াইছে। এই সুবিধাসমূহৰ এটা ফলাফল হ'ল অনলাইন বাতৰি কাকতৰ প্ৰসাৰণ।

অনলাইন বাতৰি কাকত বিশেষভাৱে ইণ্টাৰনে'টৰ বাবে প্ৰস্তুত কৰা হৈছে। বিশ্বব্যাপি হোৱা বেৰৰ প্ৰসাৰণে অনলাইন বাতৰি কাকতৰ ক্ৰমবিকাশ আৰু বৃদ্ধিত সহায় কৰিছে।

বিগত কেইবাদশক জুৰি অনলাইন বাতৰি কাকতৰ সংখ্যা বৃদ্ধি পাইছে। অনলাইন শব্দটোৰে উভয় এখন বাতৰি কাকতৰ ইণ্টাৰনে'ট সংস্কৰণ আৰু কেৱল ৱেবত প্ৰকাশিত হোৱা বাতৰি কাকত এখনকো বুজায়।

অনলাইন মাধ্যমে সাংবাদিকতাৰ প্ৰাচীৰ ভাঙিবলৈ সক্ষম হৈছে। পৰিপক্ক সাংবাদিক সকলে খৰখেদা কৰিবলৈ নতুন যোগসূত্ৰ স্থাপন কৰে। ইণ্টাৰনে'ট সংবাদিকতা প্ৰচলিত ধাৰাৰ সাংবাদিকতাত বেলেগ। অনলাইন বাতৰি কাকতক চাইবাৰ বাতৰি কাকত নামেৰেও জনা যায়।

৫.৪.১ ইণ্টাৰনে'ট সংযোজন

বৰ্তমান সময়ত যিকোনো বাতৰি কাকত ইণ্টাৰনে'ট যোগে পোৱাটো তেনেই সাধাৰণ কথাত পৰিণত হৈছে। ইণ্টাৰনে'টত অনলাইন বাতৰি কাকতখন প্ৰযোজিত অৱস্থাত নহয় মুদ্ৰিত অৱস্থাতহে প্ৰাপ্য হয়। টাইমচ্ অব ইণ্ডিয়া, হিন্দুস্থান টাইমচ্, হিন্দু, অসমীয়া প্ৰতিদিন, আসাম ট্ৰিবিউন আদি কৰি প্ৰায়বোৰ ভাৰতীয় বাতৰি কাকতেই Internet অত পোৱাটো সহজলভ্য হৈছে। আনকি দূৰদৰ্শনৰ Times Now, NDTV, Aajtak আদি চেনেলসমূহেও ইণ্টাৰনে'ট যোগে অনলাইন তথ্য যোগান ধৰে।

৫.৪.২ চাইবাৰ বাতৰি কাকতৰ উত্থান

চাইবাৰ বাতৰি কাকত এক চাঞ্চল্যকৰ কাকত। যদিও ভালেমান বছৰ পূৰ্বেই ভাৰতবৰ্ষলৈ কম্পিউটাৰৰ লগতে ইণ্টাৰনে'টো আহিছিল, সাংবাদিকতাত ইণ্টাৰনে'টৰ ব্যৱহাৰ প্ৰায় এক দশক মানৰ আগৰ পৰাই হৈছে। কিছুমান ৱেব পৰ্টেলৰ যোগেদি দৰ্শকসকলক বিভিন্ন তথ্য আৰু দুই এটা সংবাদৰ যোগান ধৰা হৈছিল যদিও 1995 চনৰ আগলৈকে অনলাইন মাধ্যমেদি বাতৰি পৰিবেশনৰ ওপৰত সিমান গুৰুত্ব দিয়া নহৈছিল।

পোন প্ৰথমবাৰৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰত অনলাইন সংবাদিকতা আৰম্ভ হৈছিল। এই নতুন ধাৰাটো লাহে লাহে জগত জুৰি বিয়পি পৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰত কম্পিউটাৰ

আৰু ইন্টাৰনেটৰ আগমনে ব্যক্তিগত স্তৰত লোকক এই মাধ্যমৰ সেৱা গ্ৰহণ কৰি চাইবাৰ সাংবাদিকতাৰ প্ৰসাৰত দ্ৰুততৰ উৎসাহ যোগাইছিল। তৎসত্বেও ভাৰতীয়সকলে বিংশ শতিকাৰ 90 দশকৰ মাজভাগত এটা Tele-Communication বিপ্লৱধাৰী আন্দোলনৰ সৃষ্টি কৰিছিল য'ত অন্যান্য চাইবাৰ মাধ্যমে দূৰতে বিদূৰ আছিল। Cable TV, Satelite TV আৰু অন্যান্য TV যোগাযোগ সম্পৰ্কীয় উৎপাদিত সামগ্ৰীবোৰ ধীৰ গতিত অগ্ৰসৰ হৈছিল। কিন্তু নানা কাৰণত ই নতুন মাধ্যমক ধৰি ৰাখিব নোৱাৰিলে।

পোনতে ভাৰতৰ ইন্টাৰনেট ব্যৱহাৰৰ পাতনি মেলে 'হিন্দু' নামৰ বাতৰি কাকত যোগে। লাহে লাহে অন্য কাকতেও ইয়াক অনুসৰণ কৰিবলৈ লয়। বাতৰি কাকতৰ অনলাইন সংকলনে এক দশক জুৰি সকলোবোৰ Media House -এ অনুলিপি, প্ৰতিলিপিৰ বাদেও অনলাইনত বাতৰি কাকতসমূহৰ সম্পাদনা আৰম্ভ কৰিছিল। ঘটনাক্ৰমে ইলেকট্ৰনিক মেডিয়া চেনেলবোৰেও অনলাইনত সংকলন আৰম্ভ কৰে। সময় সাপেক্ষে বেৱপেজৰ সৃষ্টিশীল বিনোদন অত্যন্ত প্ৰলোভনকাৰী আৰু তৃপ্তিদায়ক হয়।

যি কি নহওক অনলাইন মাধ্যমত যথেষ্ট সা-সুবিধা থাকে। ভাৰতীয় মাধ্যমৰ নতুন যোগোযোগ তথ্য প্ৰযুক্তি ব্যৱহাৰ কৰি কম্পিউটাৰ আৰু ইন্টাৰনেটক দৈনন্দিন জীৱনৰ অংগ কৰি তুলিছে। কম্পিউটাৰ আৰু ইন্টাৰনেটত তথ্যবোৰ সংগ্ৰহ কৰি যুগুতাই বার্তা উপলব্ধ কৰে। পূৰ্বৰে পৰা ঠাহ খাই থকা জাপ জাপ ফাইলৰ মাজৰ পৰা কাচিৎহে কমাই লৈ সাংবাদিকসকলে পোনে পোনে Comp. editor লৈ নাম মাত্ৰ Comp. Termenals অৰ জৰিয়তে Copy editor লৈ সম্পাদনা কৰিবলৈ পঠিয়ায়।

ই-মেইল সহযোগত ইন্টাৰনেটৰ মাধ্যমেৰে সহযোগকাৰীয়ে দূৰ দূৰণিৰ পৰা বাতৰি পঠিয়াব পাৰে। ডিজিটেল প্ৰক্ৰিয়াৰ সহায়ত কম্পিউটাৰ ব্যৱস্থা কৰি Photo Print কৰাকে আদি কৰি নানা ধৰণে সংৰক্ষণ কৰিব পাৰি। কম্পিউটাৰৰ নতুন Software অৰ বহুল প্ৰচাৰে অপব্যয় হ্ৰাস কৰাৰ লগতে কষ্ট আৰু সময়ো ৰাহি কৰে।

Web বাতৰি কাকত আৰু প্ৰচলিত বাতৰি কাকতৰ বাবে নতুন মাধ্যমত মান্যতাৰ কথা বিবেচনা কৰি বাতৰি সংকলন উন্নত মানৰ আৰু চিত্তাকর্ষক কৰিবলৈ বাতৰি প্ৰযোজকে যথেষ্ট ধন খৰছ কৰে যাৰ বাবে চাইবাৰ Stage দিনক দিনে জনপ্ৰিয়তা লাভ কৰিছে।

৫.৪.৩ চাইবাৰ বাতৰি কাকতৰ বৈশিষ্ট্য

চাইবাৰ বাতৰি কাকতে এক বিস্তৃত পৰিসৰৰ সুবিধা পঢ়ুৱৈ লৈ আগবঢ়ায়, ফলত ইয়াৰ অনন্য বৈশিষ্ট্যই দর্শকৰ মাজত বহুল জনপ্ৰিয়তা লভিছে। দর্শকৰ বর্ধিত সংখ্যক বিবেচনা কৰি ইয়াৰ জয়যাত্ৰাৰ যিটো গতি, তাৰ প্ৰতি গণমাধ্যমৰ প্ৰযোজকে চকু দিছে আৰু ইয়াৰ ফলত

ব্যৱসায়িক মুনাফা বাঢ়িব ধৰিছে। অনলাইন বাতৰি কাকতৰ কিছু বৈশিষ্ট্য তলত আলোচনা কৰা হ'ল—

বহুমুখী মাধ্যম

এই নতুন মাধ্যমটোত বহুমুখী মাধ্যমৰ সুবিধা আছে — যিটো অন্য মাধ্যমত বিচাৰি পোৱা নাযায়। ইয়াত শব্দ, দৃশ্য-শ্রাব্য, ছবি কথা, ইত্যাদি মাত্র এটা মাধ্যমতে উপলব্ধ। ডিজিটেল ব্যৱস্থাৰ প্রচলনে পৃথক পৃথক হৈ থকা বিভিন্ন প্রকাৰৰ পৰম্পৰাগত মাধ্যমক একত্রিকৰণ কৰিছিল এটা কৰিছিল যাতে কম্পিউটাৰ ভাষাত দিয়া এটা সাধাৰণ নির্দেশত সংযোগ স্থাপন হৈছিল।

কম্পিউটাৰ সংযোগী পাঠ্য

ছপা পাঠ্যৰ সৈতে অন্য ছপা পাঠ সংযোগ কৰাটো সম্ভৱ, কিন্তু ভুৱা পাঠ্য বিভিন্ন পৃথক পাঠ্যৰ সুদৃঢ় সংযোগৰ মিশ্রণ। এই বিশেষ ধৰণৰ প্রক্রিয়াটোক কম্পিউটাৰ সংযোগী বিভিন্ন পাঠ্য বুলি কোৱা হয়। ইয়াত পাঠ্য অথবা আখৰ মানে কেৱল শব্দৰেই কথা কোৱা হোৱা নাই, ছবি, দৃশ্য, ইত্যাদিৰ কথাও বুজোৱা হৈছে।

যোগাযোগ মাধ্যম

অনলাইন মাধ্যমৰ এটা অসাধাৰণ বৈশিষ্ট্য হ'ল যোগাযোগ মাধ্যম। অনলাইনৰ যোগেদি দর্শকৰ মাজত পৰস্পৰে যোগাযোগ স্থাপন কৰিব পাৰে। কিয়নো ইয়াৰ অসাধাৰণ বৈশিষ্ট্যৰ যোগেদি দর্শকে এতিয়া বিষয়বস্তুৰ গঠনত অংশগ্রহণ কৰিব পাৰে।

নেটত যেতিয়া ইয়াৰ যোগাযোগ থাকে তেতিয়া ই উপভোক্তাৰ সৈতে সৰবৰহী হৈ পৰে। উপভোক্তাই প্রযোজকলৈ তেওঁলোকৰ প্রতিক্রিয়া প্রেৰণ কৰিব পাৰে।

উপভোক্তাৰ পৰা উপভোক্তা লৈ যেতিয়া উপভোক্তাই তেওঁলোকৰ সহ উপভোক্তাৰ লগত মতামত বিনিময় কৰে।

উপভোক্তাই যেতিয়া সৰবৰাহকাৰীৰ ভূমিকা লয় তেতিয়া উপভোক্তাই তেওঁৰ ৱেবচাইটত নিজৰ সূচী প্রদর্শন কৰে।

যাদুঘৰ

অনলাইন মাধ্যম হ'ল তথ্য আৰু জ্ঞান বিজ্ঞানৰ যাদুঘৰ। ই যিকোনো বিষয়ৰ ওপৰত তথ্য যোগান ধৰিব পাৰে। মানুহে ব্যৱহাৰ কৰিব পৰাতকৈ বেছি তথ্য প্রদান কৰে। ইয়াত বহু ধৰণৰ অনুসন্ধানকাৰী যন্ত্রই দর্শকক নতুন স্থান আৰু তথ্যৰ পুনৰীক্ষণৰ অনুমতি দিয়ে। ই সাংবাদিকসকল/পত্রলেখকক অপর্যাপ্ত পৰিমাণৰ জ্ঞান বিজ্ঞান যোগান ধৰে। আলোচনাকাৰী দলে যাদুঘৰ আগতীয়া অধ্যয়নৰ কাৰণে ব্যৱহাৰ কৰিব পাৰে।

যাদুঘৰ ব্যৱহাৰকাৰীসকলে নির্দিষ্ট বিষয়ৰ ৰচনাৰ কাৰণে যন্ত্রৰ দ্বাৰা সন্ধান কৰিব পাৰে।

আগতীয়া গতিশীল প্রতিক্রিয়া।

ছপা, দৃশ্য শ্রব্য বাতৰি কাকতৰ মিশ্রণ।

নমনীয় বিতৰণৰ উৎস।

অনলাইন মাধ্যমে নমনীয় সূচীৰ বিতৰণ পদ্ধতিৰ যোগান ধৰে। ৰেবত একেই জ্ঞান বিজ্ঞানক বিভিন্ন মাধ্যমৰ মাজেদি বিতৰণ কৰিব পাৰে। ইয়াৰ অর্থ হৈছে কেৱল বাতৰি যোগনিয়াৰে জ্ঞান বিজ্ঞানৰ সংবাদ দিব পাৰে আৰু ইয়াক ৰেব পৃষ্ঠাত থ'ব পাৰে। তদুপৰি ইয়াক অনুসন্ধানৰ বাবে তথ্য মূলত সংলগ্ন কৰিব পাৰে বা ভ্রাম্যমান ফোনৰ দৃশ্যমান পর্দালৈ পঠিয়াব পাৰে। যিহেতু জ্ঞান বিজ্ঞানৰ তথ্য সংগ্রহ কৰি ৰখাটো অত্যন্ত খৰছী সেয়ে ইয়াক বহুজনলৈ বিভিন্ন উপায়েৰে পঠিওৱাটোৱেই উত্তম।



অগ্রগতি নিৰীক্ষণ

প্রশ্ননং 2ঃÃ অনলাইন বাতৰি কাকত বুলিলে কি বুজে?

.....

.....

.....

প্রশ্ননং 3ঃÃ ইন্টাৰনে'ট বাতৰি কাকত বুলিলে কি বুজে?

.....

.....

.....

প্রশ্ননং 4ঃÃ চাইবাৰ বাতৰি কাকতৰ বৈশিষ্ট্যবোৰ আলোচনা কৰক।

.....

.....

.....

৫.৫ অন্যান্য মাধ্যমৰ সৈতে তুলনা

৫.৫.১ পার্থক্য

পূর্বতে উল্লেখ কৰাৰ দৰে অনলাইন মাধ্যম অন্য মাধ্যমৰ পৰা যেনে — বাতৰি কাকত,আলোচনী, আকাশবাণী, দূৰদর্শন, ইত্যাদিৰ পৰা পৃথক। কিছু সংখ্যক পার্থক্য ইয়াত

আলোচনা কৰা হৈছে —

ক) অন্য তথ্য প্রযুক্তিৰ উৎসৰ সৈতে সংযোগ

নেটত এখন পৃষ্ঠাৰ সৈতে হাজাৰখন অন্য পৃষ্ঠা সংযোগ কৰিব পাৰি। ব্যৱহাৰকাৰীয়ে এটা পৃষ্ঠাত প্ৰৱেশ কৰিলেই হ'ল। ই ক্ৰমানুসৰি তথ্য, শব্দ, ছবি, ইত্যাদিৰে ভৰপূৰ অন্য বহুতো পৃষ্ঠালৈ লৈ যায়। এই বহুমুখী পৃষ্ঠাৰ একত্ৰীকৰণ পদ্ধতিয়েই ৱেব মাধ্যমৰ অনন্য বৈশিষ্ট্য।

খ) মাধ্যম ব্যৱহাৰকাৰীসকলৰ ক্ষেত্ৰত প্রত্যক্ষ কৰা আলোচনাকাৰী গোটসমূহ

ৱেব মাধ্যমৰ অন্য এক বৈশিষ্ট্যপূৰ্ণ চৰিত্ৰ হ'ল ই আলোচনাকাৰী গোট গঠন কৰে। যিসকল দৰ্শকে যিকোনো বিষয়ৰ সম্পৰ্কে আলোচনাত অংশগ্ৰহণ, নিজৰ মতামত, ইত্যাদি আগবঢ়ায় তেওঁলোকেই আলোচনাকাৰী গোট গঠন কৰে। ইয়েই অনলাইন মাধ্যমক তুলনামূলকভাৱে অন্য মাধ্যমতকৈ বেছি গণতান্ত্ৰিক কৰি তোলে। এয়া অন্য মাধ্যমৰ ক্ষেত্ৰত সম্ভৱ নহয়।

গ) সাংবাদিক আৰু সম্পাদকলৈ মতামত আগবঢ়োৰ সুবিধা

অন্য মাধ্যমৰ দৰে নতুন মাধ্যমে দৰ্শকক সম্পাদক, সাংবাদিক আৰু প্রযোজকলৈ মতামত আগবঢ়াবলৈ অনুমতি দিয়ে। এই মতামত তাৎক্ষণিক। এই সঁহাৰি ই-মেইলৰ যোগেদি আহিব পাৰে যাৰ দ্বাৰা ব্যক্তিজনৰ সৈতে প্রত্যক্ষ সংযোগ স্থাপন কৰিব পৰা যায়।

অন্যহাতে বার্তা বিনিময়ৰ দ্বাৰাও ই সম্ভৱ হ'ব পাৰে যাৰ দ্বাৰা দৰ্শকে নির্দিষ্ট ব্যক্তিৰ সৈতে সংযোগ স্থাপন কৰিব পাৰে। এইবোৰৰ বাবেই অনলাইন মাধ্যম আকাশবাণী, দূৰদৰ্শন বা ছপা মাধ্যমৰ পৰা ভিন্ন য'ত এই সুবিধাসমূহ উপলব্ধ নহয়।

ঘ) সংৰক্ষণৰ সুবিধা

অনলাইন মাধ্যমৰ অন্য এক বৈশিষ্ট্য হ'ল অনলাইন মাধ্যমক অন্য কার্যক্ষম মাধ্যমৰ পৰা পৃথক কৰিব পাৰি ইয়াৰ তথ্য সংৰক্ষণৰ সুবিধাৰ বাবে। কিয়নো বহুমুখী পৃষ্ঠাৰ একত্ৰীকৰণ সুবিধাৰ দ্বাৰা অনলাইন মাধ্যমে অসীম তথ্যৰ সৈতে দৰ্শকৰ যোগাযোগ স্থাপন কৰাব পাৰে।

ঙ) বহুমুখী মাধ্যমৰ প্রকাশ (ছবি, শব্দ, পাঠ)

বহুমুখী মাধ্যমৰ সুবিধাই হ'ল অনলাইন মাধ্যমৰ বৈশিষ্ট্যপূৰ্ণ চৰিত্ৰ যিয়ে ইয়াক অনন্য মাধ্যম হিচাপে গঢ় দিছে। বর্তমান ই দৰ্শকৰ কাৰণে বাতৰি কাকত, কিতাপ, পত্রিকা বা ছপা সামগ্রী, ছবি দৰ্শন, দৃশ্য আৰু সংগীত উপভোগৰ অথবা অন্য প্রকাৰৰ শ্রব্য সামগ্রীৰ ব্যৱহাৰৰ মাধ্যমেৰে সম্ভৱ কৰি তুলিছে। এই বিভিন্ন মাধ্যমক সংমিশ্রণ কৰি এক কৰাটো অন্য প্রকাৰৰ মাধ্যমত উপলব্ধ নহয়।

চ) সঠিক সময়ত বাতৰি প্ৰকাশ আৰু বাতৰিৰ উন্নতিকৰণ

অনলাইন মাধ্যম হ'ল সময়ৰ ব্যৱধান আঁতৰাই সংযোগ স্থাপন কৰি এক সাকোঁৰ দৰে সঠিক সময়ত বাতৰিৰ উন্নতিকৰণ আৰু ভৰপুৰ সুবিধা প্ৰদান কৰা মাধ্যম, বোধহয় দূৰদৰ্শনতকৈ ই বেগী যিটো এনেদৰে কাম কৰিব পৰা মাধ্যমসমূহৰ ভিতৰত একমাত্ৰ মাধ্যম। ইয়ে অনলাইন মাধ্যমক এক উপযুক্ত প্ৰচাৰ মাধ্যম হিচাপে গঢ় দিছে।

ছ) বিষয়সূচী

দূৰদৰ্শন আৰু আকাশবাণী হ'ল সৰল ৰৈখিক মাধ্যম, যিয়ে শীৰ্ষ বাতৰি পিছত প্ৰধান শিৰোনামৰ কাহিনীটো, যিটো বাতৰি পৰিবেশকûpপৰিবেশিকাই আগবঢ়ায়, তাৰ পিছত অন্যান্য বা-বাতৰি, বতৰৰ বতৰা, মনোৰঞ্জনমূলক বাতৰি, ইত্যাদি প্ৰচাৰ কৰে। কিন্তু অনলাইন মাধ্যমৰ সুবিধাটো এইয়ে যে ইয়াত ব্যৱহাৰকাৰীজনে নিজ ইচ্ছা অনুসৰি যিকোনো বিষয়বস্তু নিৰ্বাচন কৰিব পাৰে।

জ) অনলাইন প্ৰকাশ

পুৰণি মাধ্যমৰ প্ৰচাৰ প্ৰক্ৰিয়াটো কিছু জটিল। উচ্চ পৰিসৰৰ দৈনিক বাতৰি কাকত প্ৰকাশ কৰাটো বৰ জটিল কাম কিয়নো বহুল পৰিমাণৰ মানুহৰ বাবে বিভিন্ন ধৰণৰ সময়োপযোগী দৃশ্য শ্ৰব্য বিষয়ৰ সমন্বয়ৰ প্ৰয়োজন হয়।

তথ্য প্ৰযুক্তি এক প্ৰকাৰ বহুল পৰিসৰৰ সামগ্ৰী আৰু ই হ'ল সম্পত্তিহীন। যদিওবা বাতৰি কাকতৰ কেইবাটাও সংস্কৰণ ওলায়, ইয়াৰ প্ৰকাশৰ পিছত পুনৰ অন্য ছব্বিশ ঘণ্টাৰ বাবে পুনঃ প্ৰকাশ কৰা নহয়। আপুনি যি পালে পালে, গ্ৰহণ কৰা বা বাদ দিয়াটো আপোনাৰ ওপৰত নিৰ্ভৰশীল।

কিন্তু অনলাইন মাধ্যম এই ক্ষেত্ৰত পৃথক। এই কাৰণেই যে —

- এটা বাতৰি যোগান আৰু প্ৰকাশৰ বাবে বহুত মানুহৰ প্ৰয়োজন নাই।
- যদি পঢ়ুৱৈয়ে বেছি বিচাৰে তেনেহ'লে তাত সংযোগ ঠাইত তেনে ধৰণৰ সূচী থাকে।

ঝ) উৰ্দ্ধমুখী মাধ্যম

অনলাইন মাধ্যম হৈছে উৰ্ধমুখী মাধ্যম। সেইটো হ'ল ব্যৱহাৰকাৰীয়ে যেতিয়ালৈকে মাউচ ব্যৱহাৰ কৰি সূচী উলিয়াই নলয় তেতিয়ালৈকে একো নাহে। সেইবাবে এইটো বহুতৰ বাবে বিশ্বাসযোগ্য মাধ্যম, সূচীপত্ৰ ব্যৱহাৰৰ বাবে নিৰ্বাচিত দৰ্শক, সেয়ে দৰ্শকৰ এক প্ৰকাৰ সূচী নিৰ্ধাৰণ কৰি ব্যৱহাৰ কৰাৰ ই এক ক্ষমতা। অন্য প্ৰকাৰৰ মাধ্যমৰ এইটো ক্ষমতা নাই। ই দৰ্শকলৈ সূচীপত্ৰ ঠেলি দিয়ে আৰু দৰ্শকে যি আহে সেয়া গ্ৰহণ কৰে।

ঞ) ২৪+৭ মাধ্যম প্রতি মিনিটেই হয় সময় সীমা

তথ্য আৰু সংবাদক তৰিৎ গতিত ইন্টাৰনে'টৰ যোগেদি গ্রাহকলৈ পঠিয়াব পাৰে, এটা যোগাযোগ প্রক্রিয়ালৈ উল্লেখনীয় প্রাণ শক্তিৰ যোগান ধৰে। ইন্টাৰনে'টৰ ব্যৱহাৰৰ দ্বাৰা বাতৰিৰ 24 ঘন্টীয়া জীৱন চক্রও মাথো কেইমিনিট মানলৈকে কমি আহিছে। অর্থাৎ পচুৰৈয়ে শেষতীয়া সতেজ খবৰৰ বাবে দিনটোৰ 24 ঘন্টা পিছ দিনাৰ বাতৰি কাকত খনৰ বাবে আপেক্ষা কৰি থাকিব লগীয়া হয়। অন্যহাতেদি দূৰদর্শন আৰু আকাশবাণী মাধ্যমে অতি কম সময় লয়, মাত্র কেইঘন্টামান, কিন্তু ই কেতিয়াও ৰেব বাতৰি কাকতৰ গতিবেগৰ সমকক্ষ হ'ব নোৱাৰে। এই নতুন মাধ্যমত প্রযোজকে হিচাপে তথ্য কম্পিউটাৰ পর্দাত নিমিষতে ঘটনাৰ পিছতেই শেষতীয়া সংযোজন দেখুৱাই দিয়ে।

৫.৫.২ সাদৃশ্য

যি কি নহওঁক অনলাইন মাধ্যমৰ অন্যান্য মাধ্যমৰ সৈতে কিছুমান সাদৃশ্য আছে। ।

ক) গণ মাধ্যম

অন্যান্য সমসাময়িক মাধ্যমৰ দৰে অনলাইন মাধ্যম এটা গণ মাধ্যম যাক দর্শকৰ মাজত বার্তা বিস্তাৰৰ অর্থে ব্যৱহাৰ কৰা হয়। ইয়াক গণ মাধ্যম হিচাপে বিচাৰ কৰিবলৈ সকলো বৈশিষ্ট্যই বিদ্যমান।

খ) তথ্য প্রযুক্তি মনোৰঞ্জনৰ মাধ্যম

অনলাইন মাধ্যম এক শক্তিশালী তথ্য প্রযুক্তি মনোৰঞ্জনৰ মাধ্যম, ই জ্ঞান-বিজ্ঞানৰ তথ্য যোগান ধৰে আৰু ছপা, অনাতাঁৰ আৰু দূৰদর্শনৰ দৰে অনলাইন মাধ্যমৰ দর্শকক বহু ধৰণৰ উপায়েৰে মনোৰঞ্জন প্রদান কৰে। বহুমুখী মাধ্যম হোৱাৰ কাৰণে অনলাইন মাধ্যমৰ সূচীসমূহ দর্শকৰ বাবে বেছি আকর্ষণীয়। দর্শকে ইয়াত বহু লাভালাভ বিচাৰি পাব পাৰে আৰু ইয়াক সঠিক ব্যৱহাৰ কৰি শব্দ আৰু গতিশীল ছবিৰ সম্পূর্ণ তথ্য এই মাধ্যমতে পাব পাৰে।

গ) গণতান্ত্রিক মাধ্যম

অনলাইন মাধ্যম এটা গণতান্ত্রিক মাধ্যম। ইয়াত দর্শকে খুব কম সময়তে নিজৰ প্রতিক্রিয়া বিভিন্ন উপায়েৰে মূললৈ পঠিয়াব পাৰে, যিয়েই নহওঁক এই গণতান্ত্রিক অংশ গ্রহণ আৰু প্রতিক্রিয়া প্রকাৰ পদ্ধতি অনলাইন মাধ্যমৰ ক্ষেত্রত তুলনামূলকভাৱে অন্য মাধ্যমতকৈ নমনীয়।

ঘ) ছপা মাধ্যমৰ সৈতে সাদৃশ্য

ছপা মাধ্যম হ'ল প্ৰথম অৱস্থাত পাঠ্যৰ মাধ্যম। অনলাইন মাধ্যমে ছপা মাধ্যমৰ লগত ইয়াৰ বৈশিষ্ট্যবোৰৰ ভগাই লয় আৰু দৰ্শকলৈ পাঠ আৰু শব্দৰ যোগান ধৰে।

অনাতাঁৰ আৰু দূৰদৰ্শনৰ দৰে ছপা মাধমে প্ৰাসংগিক সমল ব্যৱহাৰ কৰে। ছপা সামগ্ৰী হিচাপে বাতৰি কাকত, আলোচনী, পত্ৰিকা ভৱিষ্যতৰ ব্যৱহাৰৰ বাবে সংৰক্ষণ কৰা হয়। এইবোৰ উল্লেখনীয়ভাৱে প্ৰাসংগিক ছপা সামগ্ৰী হিচাপে সহায়ক হয়। তেনেদৰে অনলাইন মাধ্যমো এক শক্তিশালী প্ৰাসংগিক সমল যাৰ দ্বাৰা দৰ্শকে যিকোনো প্ৰকাৰৰ তথ্য, মান, যিকোনো সময়ত আৰু যিকোনো ঠাইৰ পৰা ল'ব পাৰে।

ঙ) আকাশবাণীৰ সৈতে সাদৃশ্য

অনাতাঁৰ এক প্ৰকাৰ শ্ৰব্য মাধ্যম। অনলাইন মাধ্যমৰ মূল বৈশিষ্ট্যই হ'ল ই যিকোনো প্ৰকাৰৰ কথাংশ, শ্ৰব্য আৰু যিকোনো প্ৰকাৰৰ শ্ৰব্য সামগ্ৰীৰ যোগান ধৰিবলৈ সক্ষম। সেইবাবে অনলাইন মাধ্যমৰ বৈশিষ্ট্যক অনাতাঁৰৰ বৈশিষ্ট্য অথবা যিকোনো শ্ৰব্য মাধ্যমৰ বৈশিষ্ট্যৰ সৈতে ৰিজাব পাৰি।

চ) দূৰদৰ্শনৰ সৈতে সাদৃশ্য

অনলাইন মাধ্যমে দূৰদৰ্শনৰ বিভিন্ন বৈশিষ্ট্য বহন কৰে। ই দূৰদৰ্শনৰ দৰে দৃশ্য-শ্ৰব্য মাধ্যম। প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ বাবে দূৰদৰ্শনে ডাঁৰৰ বাতৰি ডাৰে যোগান ধৰিব পাৰে। বৰ্তমান পৰিবেশত ব্ৰেকিং নিউজৰ ধাৰণা জনপ্ৰিয়। সেই ফালৰ পৰা অনলাইন মাধ্যমে কিছু ক্ষেত্ৰত শেষতীয়া তথ্যসমূহ দৰ্শকক তুৰন্তে যোগান ধৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ননং 5ÃÃ চাইবাৰ মাধ্যমৰ দৰ্শক ছপা মাধ্যমৰ পৰা কিয় পৃথক?

.....

.....

.....

৫.৬ নতুন মাধ্যমৰ দৰ্শক

নতুন মাধ্যমে সম্ভাৱনাময় বহু দৰ্শকৰ সৃষ্টি কৰিছে। যদিওবা সেইটো দৰ্শকৰ এটা দোখৰীয়া অংশহে। অর্থাৎ এই মাধ্যমত বার্তাসমূহ একে সময়তেই আৰু সমান্তৰালভাৱে দৰ্শকে

গ্ৰহণ কৰিব নোৱাৰে কিন্তু তেওঁলোকে মাধ্যমৰ সূচীসমূহ নিৰ্ধাৰিত কৰিহে ব্যৱহাৰ কৰিব পাৰে। সেয়েহে বাৰ্তাসমূহ জনসাধাৰণৰ বাবে প্ৰেৰিত নহয়। গতিকে এই নতুন মাধ্যমক পৰম্পৰাগত অৰ্থত গণ মাধ্যম বুলি ক'ব নোৱাৰি। সীমিত সংখ্যক বাৰ্তা সমগোত্ৰীয় দৰ্শকলৈহে প্ৰেৰণ কৰা হয়। কিয়নো গৰিষ্ঠ সংখ্যক বাৰ্তা আৰু উৎসসমূহ এটা এটাকৈ বৰ্দ্ধিত ৰূপত সাঁচি ৰখা হয়। সেয়েহে নতুন মাধ্যমৰ এই দৰ্শকসকলে বহুতো তথ্য আৰু উৎসৰ মাজৰ পৰা নিজ নিজ ৰুচিৰ বাৰ্তা নিৰ্বাচন কৰাৰ প্ৰতি আগ্ৰহী হয়। ইয়ে বাৰ্তা আৰু উৎসৰ খণ্ডিতকৰণ প্ৰক্ৰিয়াটো ঘনীভূত কৰে।

ৰেবে বাতৰিৰ প্ৰাথমিকতাক আৰু ব্যৱসায়িক কৌশলক প্ৰত্যাহ্বান জনায়। যেতিয়া দৰ্শকে এই মাধ্যমৰ সূচী ব্যৱহাৰ কৰিবলৈ ধৰিলে তেওঁলোকে বেছি দাবীদাৰ আৰু গুৰুত্বপূৰ্ণ হৈ পৰিলে। তেওঁলোকৰ দাবীসমূহ বাতৰিৰ পৰা তেওঁলোকে ব্যৱহাৰ কৰিব পৰা বাতৰিলৈ পৰিবৰ্তন হ'বলৈ ধৰিলে, তেনেদৰে তথ্যৰ পৰা বুদ্ধিদীপ্ত তথ্যলৈ, সূচীৰ পৰা ব্যৱহাৰযোগ্য সূচীলৈ আৰু অব্যক্তিত্বৰ পৰা ব্যক্তিগত বা উপভোক্তাৰ বাতৰিলৈ সলনি হ'বলৈ ধৰিলে।

এনে পৰিস্থিতিত সাংবাদিকসকলে সংৰক্ষণৰ সুবিধা ইন্টাৰনে'টত থকাৰ বাবে বাতৰিৰ আঁৰত থকা সঠিক তথ্যলৈ মনোযোগ দিব নোৱাৰা হ'ল। সেয়েহে পাঠবোৰ পৰ্দাত চুটি চুটি হ'ব লাগে যাতে ব্যৱহাৰকাৰীৰ বাবে উপযোগী হৈ পৰে।

বাতৰিৰ সূচীসমূহৰ সূত্ৰ সলনি হৈ পৰিল আৰু সাংবাদিকে বাতৰিৰ মধ্যস্থতাকাৰী হৈ পৰিল কিয়নো ব্যৱহাৰৰ যোগেদি বাতৰি প্ৰযোজক যোগনিয়াৰ হ'ব পাৰে। এক অৰ্থত ক'বলৈ গ'লে বাতৰি প্ৰস্তুতকৰণত সাংবাদিকতাৰ অনুশীলনত কোনো সুযোগ নথকাৰ বাবে বাতৰিৰ সংখ্যা বাঢ়িল কিন্তু সাংবাদিকতাৰ মূল্যবোধৰ লগতে সাংবাদিকৰ মূল্যবোধ কমিল ।



৫.৭ ঃঅধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

মানৱ সভ্যতাৰ বাবে কম্পিউটাৰ, ইন্টাৰনে'ট আৰু ৰেব হ'ল অসাধাৰণ সৃষ্টি, যিয়ে যুক্তিপূৰ্ণ অৰ্থত পৃথিৱীৰ ৰূপ সলনি কৰি পেলাইছে। এইবোৰ আহিলাই জীৱনক নতুন পথৰ সন্ধান দিছে আৰু ই মানৱ জীৱনৰ সকলো দিশক স্পৰ্শ কৰিবলৈ আৰম্ভ কৰিছে।

মাধ্যমসমূহৰ ক্ষেত্ৰ কম্পিউটাৰ আৰু ইন্টাৰনে'টৰ প্ৰভাৱেৰে পুষ্ট হৈ পৰিছে। ই আৰম্ভণিৰ পৰাই মাধ্যম আৰু মনোৰঞ্জনৰ সমগ্ৰ দৃষ্টিভংগীৰ ৰূপান্তৰ ঘটাইছে। সকলোবোৰ মাধ্যমৰ প্ৰতিষ্ঠাপনত বৰ্তমান কম্পিউটাৰযুক্ত পৰিবেশ আহি পৰিছে। মাধ্যমৰ সঞ্চালনত কম্পিউটাৰ এতিয়া একপ্ৰকাৰ প্ৰাণশক্তি হৈ পৰিছে, ইয়াৰ অবিহনে বৰ্তমান সময়ত যিকোনো মাধ্যম সঞ্চালন কৰাটো কল্পনাৰ অতীত। বাতৰি কাকতৰ পৃষ্ঠাসজ্জা অথবা সম্পাদনাত বা-বাতৰি পৰিবেশনত কম্পিউটাৰ ব্যৱহাৰ কৰাটো এতিয়া বাধ্যতামূলক। বৰ্তমান কাকতৰ মন্দাৱস্থাৰ

যুগত যন্ত্ৰৰ সহায়ত কাগজৰ কাম বহু পৰিমাণে কমি গৈছে লগতে পৰিষ্কাৰ পৰিচ্ছন্ন পৰিবেশত যিকোনো প্ৰকাৰৰ অস্বাভাৱিকতাৰ পৰা নিলগত আছে। সাংবাদিকে বিভিন্ন লিখা মেলাত কম্পিউটাৰ ব্যৱহাৰ কৰে। সমগ্ৰ সম্পাদনাৰ কামতো বহুমুখী কম্পিউটাৰ সামগ্ৰী বিৰক্তিহীনভাৱে উপলব্ধ। কম্পিউটাৰৰ ব্যৱহাৰে চাৰিওফলে সমস্যামুক্ত পৰিবেশৰ সৃষ্টি কৰিছে। ফটো সম্পাদনাও হৈ পৰিছে আসোঁৱাহমুক্ত। ই কম্পিউটাৰৰ অৱদান। পৃষ্ঠা সজ্জাকাৰীসকলৰ বাবে কম্পিউটাৰ আশীৰ্বাদস্বৰূপ হৈ পৰিছে কিয়নো ইয়াৰ সহায়ত তেওঁলোকে বাতৰি কাকতৰ পৃষ্ঠাবোৰ সুন্দৰ, মনোমোহা আৰু আকৰ্ষণীয় কৰি তুলিব পাৰে। কেৱল সাংবাদিকৰ কামেই সহজ হৈ পৰা নাই, কম্পিউটাৰ ব্যৱহাৰৰ ফলত বাতৰি কাকতৰ সৈতে জড়িত ব্যক্তিৰ মূল্যবান সময় ৰাহি হৈছে। তেনেদৰে মাধ্যম সঞ্চালনত ইণ্টাৰনেট এৰাব নোৱাৰা অংগ হৈ পৰিছে। ই-মেইলৰ সুবিধাৰ বাবে বাতৰি যোগান আৰু কাহিনী সংগ্ৰহৰ বাবে বিভিন্ন ঠাইৰ সৈতে যোগাযোগ আৰু ফাইল গ্ৰহণ কৰাত সময়ৰ অপচয় নহয়।

এই নতুন মাধ্যমে চাইবাৰ বাতৰি কাকত আৰু চাইবাৰ সাংবাদিকলৈ এক নতুন ধাৰণা লৈ আহিছে। চাইবাৰ বাতৰি কাকতে ইণ্টাৰনেট সংস্কৰণ আৰু অনলাইন বাতৰি কাকত দুইবিধকে সংলগ্ন কৰিছে। যেতিয়া ছপা মাধ্যমত প্ৰকাশিত বাতৰি কাকত নেটত পাব পৰাকৈ তৈয়াৰ কৰা হয় তাকে ইণ্টাৰনেট সংস্কৰণ বুলি কোৱা হয়। অন্যহাতে কিছুমান বাতৰি কাকত বিশেষভাৱে অনলাইন মাধ্যমৰ বাবে তৈয়াৰ আৰু অংগসজ্জা কৰা হয়। বৰ্তমান বাতৰি কাকত আৰু ব্ৰড কাষ্টিং চেনেলবোৰৰ বাবে ইণ্টাৰনেট সংস্কৰণ কৰাটো এক প্ৰকাৰ পৰম্পৰালৈ পৰিণত হৈছে।

অনলাইন মাধ্যমে সাংবাদিকতাক এক পৰম্পৰাগত অনুশীলনীলৈ ৰূপান্তৰ ঘটাইছে আৰু ই এক সম্পূৰ্ণ নতুন সাংবাদিকতাৰ জন্ম দিছে যাক চাইবাৰ মিডিয়া জাৰ্নেলিজিম হিচাপে অভিহিত কৰা হয়।

এই নতুন মাধ্যমে এক প্ৰকাৰ নিৰ্দিষ্ট দৰ্শকৰ সৃষ্টি কৰিছে যিসকল খণ্ড আৰু অধিক তাগিদা দিয়া বিধৰ। শ্ৰোতা-দৰ্শকসকল নীৰৱ হৈ থকাৰ দিন এতিয়া অতীত। তাৰ পৰিবৰ্তে আজিৰ নতুন শ্ৰোতা-দৰ্শকসকল অধিক সক্ৰিয় আৰু মাধ্যম উৎপাদিত সামগ্ৰীৰ ব্যৱহাৰৰ ক্ষেত্ৰত তেওঁলোকে নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰে।



৫.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থঃ

1. Singhal & Rogers (2001). India's Communication Revolution. Sage Publications.
2. Ward, Mike (2002). Journalism Online. Taylor and Francis.

৫.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ খালী ঠাই পূৰণ কৰক ঃ

(ক) কম্পিউটাৰকৃত (Computerised)

(খ) DTP প্রক্রিয়াত

(গ) কম্পিউটাৰৰ

(ঘ) ইন্টাৰনে'টৰ

২ নং প্রশ্নৰ উত্তৰ ঃ অনলাইন বাতৰি কাকত হ'ল বিশেষ ধৰণে সজোৱা এক ধৰণৰ ইন্টাৰনে'ট মাধ্যমৰ বাতৰি কাকত। 'অনলাইন' শব্দটো ইন্টাৰনে'ট সংস্কৰণ আৰু কেবল ৱৰ্ল্ড ৱাইড ৱেব প্রকাশিত বাতৰি কাকতৰ বাবে ব্যৱহাৰ কৰা হয়।

৩ নং প্রশ্নৰ উত্তৰ ঃ ইন্টাৰনে'ট সংস্কৰণৰ বাতৰি কাকতৰ অর্থ হ'ল ছপা মাধ্যমৰ বাতৰি কাকত যি ইন্টাৰনে'ট যোগে উপলব্ধ। ইয়াৰ অর্থ এইটো নহয় যে নতুন মাধ্যমৰ কাৰণে বিশেষ ধৰণে বাতৰি কাকত তৈয়াৰ কৰা। উদাহৰণ স্বৰূপে দা টাইম্ছ অফ ইণ্ডিয়া www. timesofindia.com টো পাব পাৰি, NDTV www.ndtv. com তো পাব পাৰি, তেনেদৰে The Hindustan Times www.hindustantimes.comত পাব পাৰি, ইত্যাদি।

৪ নং প্রশ্নৰ উত্তৰ ঃ অন্য বাতৰি কাকতৰ সৈতে চাইবাৰ বাতৰি কাকতৰ পার্থক্য আছে। অনলাইন বাতৰি কাকতৰ কিছুমান বৈশিষ্ট্য আছে। তলত সেইবোৰ আলোচনা কৰা হ'ল।

বহুমুখী মাধ্যম ঃ- চাইবাৰ বাতৰি কাকতত শব্দ, কথা, সংগীত, ছবি, গতিশীল ছবি পোৱা যায়।

প্রকল্প পাঠ ঃ চাইবাৰ বাতৰি কাকতে বহু প্রকাৰৰ পৃষ্ঠাকপাৰস্পৰিকভাৱে সংযোগ কৰাৰ পাৰে আৰু তেনেকুৱা পৃষ্ঠাৰ সংখ্যা মাউচ টিপিয়ে ব্যৱহাৰকাৰীয়ে বৃদ্ধি কৰিব পাৰে।

আন্তঃ সক্রিয়তা ঃ দর্শকে সচাঁকৈয়ে সূচী গঠনত নিজকে নিয়োগ কৰিব পাৰে, তেওঁলোকে ব্যক্তিগত ৰুচি অনুসৰি উপভোক্তাৰ সূচী প্রচন্দ কৰি তৈয়াৰ কৰি ল'ব পাৰে।

বাছনি কৰণ ঃ নতুন মাধ্যমে দর্শকক বাছনি কৰাত ক্ষমতা প্রদান কৰিছে। ইয়াৰ দ্বাৰা দর্শকে কি সূচী ব্যৱহাৰ কৰিব কি নকৰিব সেয়া নিজে সিদ্ধান্ত ল'ব পাৰে।

যাদুঘৰৰ সুবিধা ঃ সকলো ধৰণৰ উৎস হ'ল চাইবাৰ মাধ্যম। যাদুঘৰত সৰু সংবাদ এটাও বর্দ্ধিত ৰূপত পোৱা যায়।

নমনীয় বিতৰণ পদ্ধতি ঃ অনলাইন মাধ্যমে নমনীয় সূচী বিতৰণ পদ্ধতি যোগান ধৰে।

একে সংবাদক বিভিন্ন ধৰণে ৰেবত বিতৰণ কৰিব পাৰে। অর্থাৎ কেৱল এটা বাতৰি যোগনিয়াৰে এটা তথ্য ৰেব বাতৰি পৃষ্টাত অন্তর্ভুক্ত কৰি অনুসন্ধানকাৰী ডাটাবোৰ সংযুক্ত কৰিব পাৰে অথবা মোবাইল ফোনৰ পর্দালৈ পঠিয়াব পাৰে।

৫ নং প্রশ্নৰ উত্তৰ ঃ নতুন মাধ্যমৰ দর্শকসমূহ পুৰণি মাধ্যম যেনে বাতৰি কাকত অথবা বৈদ্যুতিক মাধ্যমৰ দর্শকৰ পৰা পৃথক। নতুন মাধ্যমৰ দর্শকৰ সংখ্যা অধিক, কিন্তু সেয়া ডোখৰীয়া অংশ এটাহে। দর্শকৰ দ্বাৰা ইয়াৰ বার্তাসমূহ একে সময়তে আৰু সমভাৱে গ্রহণ কৰা নহয় কিয়নো দর্শকে মাধ্যমৰ সূচীসমূহ নির্বাচন কৰিহে ব্যৱহাৰ কৰে। সেয়েহে কোৱা হয় যে নতুন মাধ্যমৰ বার্তাসমূহ সর্বসাধাৰণৰ বাবে প্রেৰিত নহয়। নতুন মাধ্যমক পৰম্পৰাগত অর্থত গণ মাধ্যম বুলিব নোৱাৰি কিয়নো সমগোত্রীয় বহু দর্শকৰ বাবে সীমিত সংখ্যক বার্তাহে প্রেৰণ কৰা হয়। সেয়েহে নতুন মাধ্যমৰ এই দর্শকসকলে বহুতো তথ্য আৰু উৎসৰ মাজৰ পৰা নিজ নিজ ৰুচিৰ বার্তা নির্বাচন কৰাৰ প্রতি আগ্রহী হয়। ইয়ে বার্তা আৰু উৎসৰ খণ্ডিতকৰণ প্রক্রিয়াতো ঘনীভূত কৰে।



৫.১০ সম্ভাব্য প্রশ্ন

প্রশ্ন 1। মাধ্যম সঞ্চালনত কম্পিউটাৰ ব্যৱহাৰ সম্পর্কে আলোচনা কৰক।

প্রশ্ন 2। অনলাইন বাতৰি কাকত বুলিলে কি বুজে? ছপা বাতৰি কাকতৰ সৈতে ইয়াৰ পার্থক্য কি?

প্রশ্ন 3। ইন্টাৰনেট সংস্কৰণৰ বাতৰি কাকত কি? উদাহৰণ সহ বুজাই লিখক।

প্রশ্ন 4। অনলাইন বাতৰি কাকতৰ বৈশিষ্ট্য কি কি?

প্রশ্ন 5। অন্য মাধ্যমৰ সৈতে অনলাইন বাতৰি কাকতৰ সাদৃশ্য আৰু পার্থক্য বুজাই লিখক।